# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-10-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

- - - - - - - - - - - - - - - -

১। অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াৰ বাবে ৰাজ্য চৰকাৰে প্ৰধানমন্ত্ৰী তথা কেন্দ্ৰীয় চৰকাৰৰ সৈতে যোগাযোগত থকা বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। তিনিদিনীয়া সূচীৰে অৰুণাচল ভ্ৰমণৰত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ জনসম্পৰ্কৰক্ষা কাৰ্যসূচীত অংশগ্ৰহণ কৰি নামছাইৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ।

৩। ২০২৪-২৫ পৰ্যটন বৰ্ষৰ বাবে কাজিৰঙা আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ দ্বাৰ মুকলি।

৪। আজি ৭৪ সংখ্যক অসম আৰক্ষী দিৱস উদযাপন।

৫। অবৈধ অনলাইন ট্ৰেডিঙৰে জড়িত কোনো সাৰি নাযায় বুলি আৰক্ষী সঞ্চালক প্ৰধানৰ মন্তব্য।

*আৰু*

৬। কানপুৰ টেষ্টত ভাৰতৰ ৭ উইকেটত জয়লাভ। ২-০ ব্যৱধানেৰে বাংলাদেশৰ বিৰুদ্ধে ভাৰতৰ টেষ্ট শৃংখলা দখল।

০০০০০

অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী তথা কেন্দ্ৰীয় চৰকাৰৰ সৈতে নিয়মীয়াকৈ যোগাযোগত থকাৰ কথা আজি মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে, অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াৰ প্ৰস্তাৱটোৱে ন্যায়াধীশ বিপ্লৱ শৰ্মা সমিতিৰ প্ৰতিবেদনৰ পৰামৰ্শৱলীৰ উৰ্ধলৈ গৈও ভাষাটোক অনন্য স্থান প্ৰাপ্তিত সহায় কৰিব। প্ৰধানমন্ত্ৰীয়ে এই প্ৰস্তাৱ গভীৰভাৱে বিবেচনা কৰিব বুলিও মুখ্যমন্ত্ৰী শৰ্মাই আশা প্ৰকাশ কৰে।

০০০০০

তিনিদিনীয়া ভ্ৰমণসূচীৰে কালি অৰুণাচল প্ৰদেশত উপস্থিত হোৱা কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি ইটানগৰ আৰু নামছাইত জনসম্পৰ্কৰক্ষা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। দুয়োটা অনুষ্ঠানতে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, উপ-মুখ্যমন্ত্ৰী ছাউনা মেইন আৰু কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়া উপস্থিত থাকে। অনুষ্ঠানত অংশ লৈ শ্ৰীমতী সীতাৰমণে নামছাইৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি অভিলাষী জিলা কাৰ্যসূচীৰ অধীনত ইয়াৰ সম্ভাৱনাসমূহ বিকশাই তুলিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত প্ৰায় ৩০০ হিতাধিকাৰী আৰু আত্মসহায়ক গোটৰ সদস্যই অংশগ্ৰহণ কৰে। ৰাজ্যখনত বিত্তীয় অন্তৰ্ভুক্তি সৰ্বাত্মক আৰু ত্বৰান্বিত কৰাৰ বাবে বহনক্ষম উন্নয়ন দ্ৰুত কৰি তোলাৰ বাবে এই কাৰ্যসূচী লোৱা হৈছিল। ইয়াৰ আগেয়ে কালি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অৰুণাচলৰ

ৰাজ্যপাল লেফ্‌টেনেণ্ট জেনেৰেল কে টি পাৰনায়কক ইটানগৰত থকা ৰাজভৱনত সাক্ষাৎ কৰে। সাক্ষাৎকালত ৰাজ্যখনলৈ বিত্তীয় সাহায্য প্ৰদান সন্দৰ্ভত আলোচনা কৰা হয়। ৰাজ্যপালগৰাকীয়ে কয় যে, ৰাজ্যখনলৈ আন্তঃৰাষ্ট্ৰীয় বেংকৰ পৰা ঋণ প্ৰদানৰ কোনো ব্যৱস্থা নাই আৰু সেয়েহে ৰাজ্যখন বিত্তীয় সাহায্যৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল। ৰাজ্যখনক অতিৰিক্ত পুঁজি প্ৰদানৰ দ্বাৰা সহায় কৰিবলৈ তেওঁ আহ্বান জনায়। তদুপৰি পৰিৱেশ, জলবিদ্যুৎ প্ৰকল্প আৰু সীমান্ত এলেকা উন্নয়নৰ বাবে বিশেষ পুঁজি প্ৰদান কৰিবলৈও তেওঁ আহ্বান জনাইছে। শ্ৰীমতী সীতাৰমণে ৰাজ্যপালগৰাকীক অৰুণাচল প্ৰদেশলৈ সকলো ধৰণৰ প্ৰয়োজনীয় সাহায্য আগবঢ়োৱা হ'ব বুলি আশ্বাস দিছে।

ooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দেশ-বিদেশৰ পৰ্যটকৰ বাবে আজি মুকলি কৰা হয়। ৰাজ্য চৰকাৰৰ বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে বাগৰি বনাঞ্চলৰ প্ৰৱেশ দ্বাৰৰ ফিটা কাটি ৰাষ্ট্ৰীয় উদ্যানখন ২০২৪-২৫ পৰ্যটন বৰ্ষৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰে। সমান্তৰালকৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ ক'হৰা আৰু বুঢ়া পাহাৰ বনাঞ্চলো পৰ্যটকৰ বাবে মুকলি হয়। বৰ্তমান পৰ্যটকসকলৰ বাবে কেৱল জীপ ছাফাৰীৰ ব্যৱস্থা কৰা হৈছে। অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকসকলে হাতী ছাফাৰীৰ সুবিধা লাভ কৰিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ইতিমধ্যে ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰ ভাগৰ বাট-পথসমূহ মেৰামতি কৰাৰ লগতে জীপ চালক সকলকো প্ৰশিক্ষণ প্ৰদান কৰিছে। ইতিমধ্যে কেইবালানিও প্ৰশিক্ষণ কাৰ্যসূচী সমাপ্ত হৈছে। আজি উদ্যোনখনৰ কাজিৰঙা বনাঞ্চল, বাগৰি বনাঞ্চল আৰু বুঢ়া পাহাৰ বনাঞ্চলৰ কিছু অংশহে পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। পাটোৱাৰীৰ লগতে আবকাৰী আৰু মীন মন্ত্ৰী কেশৱ মহন্ত, কৃষি মন্ত্ৰী অতুল বৰা, সাংসদ কামাখ্যা প্ৰসাদ তাচাৰ লগতে বন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। উদ্যানখন মুকলি সন্দৰ্ভত আমাৰ নগাঁৱৰ সংবাদদাতা মুনিন্দ্ৰ শইকীয়াই এইদৰে কয়—

***ঃঃ ভইছ কাষ্ট ঃঃ***

ইফালে আজি ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পও ২০২৪-২০২৫ পৰ্যটন বৰ্ষৰ বাবে মুকলি হয়। মঙলদৈ বণ্য প্ৰাণী সংমণ্ডল বিষয়াই ফিটা কাটি ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰে।

ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ এটা খৰ্গযুক্ত গঁড়ৰ বিচৰণথলী আৰু মাটিকালিৰ ক্ষেত্ৰত এছিয়াৰ ভিতৰতে বাঘৰ ঘন বসতি থকা এই উদ্যানখনৰ পথসমূহ মেৰামতি কৰি জীপ ছাফাৰীৰ বাবে উপযোগী কৰি তোলা হৈছে। এইবাৰ পৰ্যটকসকলৰ সুবিধাৰ্থে বন বিভাগে নিজাকৈ ছটা কোঠাৰ ইকো কেম্প মুকলি কৰিছে।

ooooo

উচ্চতম ন্যায়ালয়ে শাস্তিমূলকভাৱে ব্যৱস্থা হিচাপে দেশৰ বিভিন্ন প্ৰান্তত বাসগৃহ বিনষ্ট কৰা পদক্ষেপৰ বিৰুদ্ধে দাখিল কৰা আবেদন সন্দৰ্ভত ৰায় সংৰক্ষিত ৰাখিছে। ন্যায়াধীশ বি আৰ গাভাই আৰু কে ভি বিশ্বনাথনৰ বিচাৰপীঠে কয় যে, কোনো এজন লোক অভিযুক্ত নাইবা অপৰাধী হোৱা বাবেই তেওঁৰ বাসগৃহ ধবংস কৰিব পৰা নাযায়। **বুলড'জাৰ জাষ্টিচ** বুলি আখ্যা দিয়া এই ব্যৱস্থাৰ সন্দৰ্ভত দুয়ো পক্ষৰ শুনানি গ্ৰহণ কৰি বিচাৰপীঠখনে কয় যে, অকৰ্তৃত্বশীলভাৱে বা ৰাজহুৱা স্থানত কৰা দখল উচ্ছেদ কৰিব পৰা যাব যদিও কোনো অভিযুক্তৰ বাসগৃহ আদালতৰ অনুমতি অবিহনে ধবংস কৰিব পৰা নাযাব। বিচাৰপীঠখনে লগতে সকলো সম্প্ৰদায় নিৰ্বিশেষে প্ৰযোজ্য

হোৱাকৈ এইক্ষেত্ৰত নিৰ্দেশনা জাৰি কৰিব বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে আদালতে আগতীয়া অনুমতি অবিহনে কোনো ধৰণৰ নিৰ্মাণ বা বাসগৃহ ভাঙি পেলোৱা উচিত নহয় বুলি ১৭ ছেপ্তেম্বৰত অন্তৰ্বৰ্তীকালীন আদেশ জাৰি কৰিছিল। আনহাতে অকৰ্তৃত্বশীল নিৰ্মাণৰ ক্ষেত্ৰতো নিৰ্দিষ্ট সম্পত্তি ততালিকে ধ্বংস কৰাৰ পৰিৱৰ্তে কমেও ১০-১৫ দিনৰ সময় দিয়াৰ কথা বিবেচনা কৰা হৈছে। সৰ্বোচ্চ ন্যায়ালয়ে এনেধৰণৰ নিৰ্মাণকাৰ্য বা বাসগৃহ ভাঙি পেলোৱাৰ বাবে জাননী দিয়াৰ তথ্য ৰখাৰ বাবে এটা অনলাইন প'ৰ্টেল মুকলি কৰাত গুৰুত্ব দিছে।

ooooo

জাগীৰোডৰ বিধায়ক তথা ৰাজ্য চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকা নেতৃত্বত আজি জাগীৰোডৰ গাঁও পঞ্চায়তৰ সন্মুখৰ পৰা বিজেপিয়ে এটা প্ৰতিবাদী সমদল উলিয়ায়। এই প্ৰতিবাদী সমদলেৰে বিজেপিয়ে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খৰ্গেৰ পুত্ৰ তথা কংগ্ৰেছ নেতা প্ৰিয়াংক খৰ্গেই কৰা অসম বিৰোধী মন্তব্যৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। জাগীৰোডত স্থাপন হ'বলগীয়া ছেমি কণ্ডাক্টৰ প্ৰকল্পক লৈ কংগ্ৰেছ নেতাগৰাকীয়ে অসমক হেয় প্ৰতিপন্ন কৰি মন্তব্য কৰা বুলি বিজেপিয়ে অভিযোগ ঘূৰি আহিছে।

ooooo

আজি ৭৪ সংখ্যক অসম আৰক্ষী দিৱস। অসম আৰক্ষী দিৱস উপলক্ষে প্ৰতিগৰাকী আৰক্ষীলৈ সঞ্চালক প্ৰধান জি পি সিঙে শুভেচ্ছা জ্ঞাপন কৰে। লগতে আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে অসম আৰক্ষীয়ে সদায় ৰাইজৰ সৈতে থাকি সহায় কৰি যাব বুলি মন্তব্য কৰে।

১৯৫১ চনৰ এক অক্টোবৰত ভাৰতীয় আৰক্ষী বিষয়া কে আৰ চৌধুৰীয়ে প্ৰথম ভাৰতীয় বিষয়া হিচাপে ব্ৰিটিছ আৰক্ষী বিষয়া জে এইচ ৰীডৰ পৰা আনুষ্ঠানিকভাৱে অসম আৰক্ষীৰ মুখ্য বিষয়াৰ কাৰ্যভাৰ গ্ৰহণ কৰে। ১৯৫১ চনৰ এক অক্টোবৰত অসম আৰক্ষী প্ৰধানৰ দায়িত্ব গ্ৰহণ কৰা আই পি এছ বিষয়া এছ কে আৰ চৌধুৰীৰ স্মৰণত তেতিয়াৰে পৰা এই দিনটো অসম আৰক্ষী দিৱস হিচাপে পালন কৰা হয়।

অসম আৰক্ষী দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ ১১৩ গৰাকী আৰক্ষী বিষয়া-কৰ্মচাৰীলৈ ২০২৪ বৰ্ষৰ আৰক্ষী সঞ্চালকপ্ৰধানৰ প্ৰশংসাসূচক পদক আগবঢ়োৱা হৈছে। ইয়াৰে ১১ গৰাকীক সোণৰ, ১০২ গৰাকীক ৰূপৰ পদক প্ৰদান কৰা হ'ব।

অসম আৰক্ষী দিৱস উপলক্ষে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে শোণিতপুৰ জিলাতো বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি জিলা আৰক্ষী অধীক্ষকগৰাকীয়ে অসম আৰক্ষীৰ দৃঢ় সেৱাৰ মনোভাব আৰু সাহসিকতাক প্ৰশংসা কৰি কয় যে, জনসাধাৰণৰ  প্ৰতিটো প্ৰতিকূল সময়ত অসম আৰক্ষীয়ে সজাগ হৈ জীৱন আৰু শান্তিৰ পৰিৱেশ বৰ্তাই ৰখাৰ বাবে নিৰন্তৰ কাম কৰি যাব। আনহাতে দক্ষিণ শালমাৰা মানকাচাৰ জিলাতো জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত অসম আৰক্ষী দিৱস উদযাপন কৰা হয়। জিলা আৰক্ষী অধীক্ষকগৰাকীয়ে পুৱাই অসম আৰক্ষীৰ পতাকা উত্তোলন কৰি জোৱানসকলক শপত বাক্য পাঠ কৰায়। অসম আৰক্ষী সঞ্চালক প্ৰধানৰ পৰা ৰূপৰ পদক লাভ কৰা হাট শিঙিমাৰী জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত কৰ্মৰত এল এন কে মুজাহিদুল ইছলামক জিলা আৰক্ষী ফালৰ পৰা আজিৰ অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হয়।

ooooo

শেহতীয়াকৈ ৰাজ্যত হৈ থকা অনলাইন ট্ৰেডিং কেলেংকাৰীৰে  জড়িত কোনো লোক সাৰি যাব নোৱাৰে বুলি  আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে প্ৰকাশ কৰিছে। ডিজিটেল সাক্ষ্যৰ সৈতে এই কেলেংকাৰীৰ তদন্ত সঠিক দিশত আগবাঢ়িছে বুলি উল্লেখ কৰি আৰক্ষী সঞ্চালক প্ৰধান গৰাকীয়ে এইদৰে কয়—

***ঃঃ ভইচ কাষ্ট ঃঃ***

০০০০০

আজি বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস। এই দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ কেইবাখন জিলাতো বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু মৰিগাঁও জিলা জ্যেষ্ঠ নাগৰিক সভাৰ সহযোগত বিস্তৃত কাৰ্যসূচীৰে পবিতৰা হাট প্ৰাংগনত বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস উদযাপন কৰা হয়। জিলাখনৰ আয়ুক্তই সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অনুষ্ঠানত ৮৫ বছৰ বয়সৰ উৰ্ধৰ ১১গৰাকী জ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত তথা জিলা মহিলা আৰু শিশু বিকাশ বিভাগ আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সহযোগত জিলা পৰ্যায়ত বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস উদযাপন কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত এই অনুষ্ঠানত আয়ুক্তগৰাকীয়ে উপস্থিত জ্যেষ্ঠ নাগৰিকসকলক এই বিশেষ দিনটোৰ ওলগ আৰু শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ জ্যেষ্ঠ নাগৰিকসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে তেওঁলোকে সন্মুখীন হোৱা অসুবিধা আৰু সমস্যাসমূহৰ বিষয়ে বিস্তৃতভাৱে বুজ লৈ সেই সমূহৰ সমাধানৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণৰো আশ্বাস প্ৰদান কৰে।

আনহাতে তিনিচুকীয়া জিলাত বয়োজ্যেষ্ঠ নাগৰিক কল্যাণ সংস্থাৰ উদ্যোগত স্থানীয় পেঞ্চনাৰ ভৱনত অঞ্চলটোৰ তিনিগৰাকী সন্মানীয় জ্যেষ্ঠ নাগৰিক সমাজকৰ্মী ডাঃ নৰেশ্বৰ দত্ত, ডাঃ টংকেশ্বৰ তামুলী আৰু অপৰ্ণা দেৱীক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত বন্যপ্ৰাণী আৰু পৰিৱেশ- সংকট আৰু সমাধান বিষয়ক এখন আলোচনা সভাৰো আয়োজন কৰা হয়।

ইপিনে শোণিতপুৰ জিলা প্ৰশাসনে সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান শোণিতপুৰৰ সহযোগত মাজগাঁওস্থিত তপোবন বৃদ্ধাশ্ৰমত বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০

তিনিচুকীয়া জিলা গঠনৰ আজি ৩৫ বছৰ সম্পূৰ্ণ হৈছে। ১৯৮৯ চনৰ ১ অক্টোবৰত পূৰ্ণ পৰ্যায়ৰ জিলা হিচাপে তিনিচুকীয়াই স্বীকৃতি লাভ কৰিছিল। ১৯৭১ চনলৈকে অবিভক্ত লখিমপুৰ জিলাৰ অন্তৰ্গত হৈ থকা তিনিচুকীয়া পৰৱৰ্তী সময়ত অবিভক্ত ডিব্ৰুগড় জিলাৰ অন্তৰ্ভুক্ত হৈছিল। প্ৰশাসনে এইবাৰ জিলাখনৰ বৰগুড়িত থকা আই টি আই খেলপথাৰত জিলা দিৱসৰ আয়োজন কৰিছে। আজি জিলা দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে শদিয়া মহকুমা প্ৰশাসন, আৰক্ষী প্ৰশাসন, স্বাস্থ্য, ক্ৰীড়া আদি বিভাগৰ উদ্যোগত চাইকেল সমদল উলিওৱা হয়। এই সমদলত বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী আৰু জ্যেষ্ঠ নাগৰিক অংশগ্ৰহণ কৰে।

০০০০০

তেজপুৰত আজি কলিয়াভোমোৰা পৰ্যটনক্ষেত্ৰ পৰ্যটকৰ বাবে মুকলি কৰা হয়। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ আৰু বুঢ়া লুইতৰ মনোমোহা দৃশ্যৰ লগতে ৰিভাৰ ড'লফিন বা শিহু দেখা পোৱা এই স্থানে পৰ্যটকক

আকৰ্ষণ কৰি আহিছে। কলিয়াভোমোৰা দলঙৰ তলত আজি এই পৰ্যটনক্ষেত্ৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই উদ্বোধন কৰে। এই স্থানত নৈসৰ্গিক দৃশ্য উপভোগ কৰাৰ লগতে ঐতিহাসিক তথা গৱেষণাৰ সমলো পোৱা যাব। সপ্তাহৰ আটাইকেইটা দিনতেই পৰ্যটকৰ বাবে এই পৰ্যটনক্ষেত্ৰ খোলা থাকিব।

ooooo

কানপুৰৰ গ্ৰীৰ্ণপাৰ্কত অনুষ্ঠিত দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেলত ভাৰতে বাংলাদেশক ৭ উইকেটত পৰাস্ত কৰি শৃংখলাটোত ২-০ৰে জয়লাভ কৰিছে। বৰষুণৰ বাবে দ্বিতীয় তথা তৃতীয় দিনৰ খেল সম্পূৰ্ণভাৱে পৰিত্যক্ত ঘোষিত হোৱাৰ পাছত বাংলাদেশে কালি চতুৰ্থ দিনা ২৩৩ ৰানত নিজৰ প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত ভাৰতে ৯ উইকেটৰ বিনিময়ত ২৮৫ ৰান সংগ্ৰহ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে। চতুৰ্থ দিনৰ খেলৰ অন্তত বাংলাদেশে দুই উইকেটৰ বিনিময়ত ২৬ ৰান কৰে। আজি খেলৰ পঞ্চম তথা অন্তিম দিনা বাংলাদেশৰ দলটো ১৪৬ ৰানতে অলআউট হয়। ভাৰতৰ হৈ ৰবিচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাডেজা আৰু জছপ্ৰীত বুমৰাহে তিনিটাকৈ উইকেট দখল কৰে। জয়ৰ বাবে প্ৰয়োজনীয় ৯৫ ৰানৰ লক্ষ্য ভাৰতে তিনি উইকেটৰ বিনিময়ত পূৰণ কৰি শৃংখলাটোত ২-০ৰে বিজয় সাব্যস্ত কৰে।

এই জয়ৰ সুবাদত ভাৰতে ২০২৩-২৫ বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত অতিৰিক্ত ১২ পইণ্ট অৰ্জনেৰে শীৰ্ষ স্থান অক্ষুণ্ণ ৰাখিছে।

ooooo

সমাপ্ত